**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া জাপান ভ্ৰমন সামৰি ছাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে চীনলৈ ৰাওনা হৈছে।

২। চীনৰ তিয়ানজিনত কাইলৈৰ পৰা ছাংহাই সহযোগিতা সংস্থাৰ ২৫ সংখ্যক শীৰ্ষ সন্মিলন অনুষ্ঠিত হ' ব।

৩। কেন্দ্ৰীয় ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি উত্তৰ প্ৰদেশৰ নয়দাত দেশৰ প্ৰথমটো টেম্পাৰড গ্লাছ নিৰ্মাণ প্ৰকল্প উদ্বোধন কৰে।

৪। ভাৰতৰ পুৰুষৰ ডাবলছ যুটী অনিৰুদ্ধ চন্দ্ৰশেখৰ আৰু বিজয় প্ৰশান্তে ইউ এছ অপেন টেনিছ প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ কৰিছে। আৰু

৫। এছিয়া কাপ মহিলা হকী প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ভাৰতৰ মহিলা দলটো আজি চীনৰ হাংঝৌলৈ ৰাওনা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ দুদিনীয়া ফলপ্ৰসু জাপান ভ্ৰমনৰ সামৰণি মাৰিছে। ভ্ৰমণৰ প্ৰথম দিনা পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ পাছত শ্ৰীমোদীয়ে আজি টকিঅ'ত ১৬ খন প্ৰদেশৰ গৱৰ্নৰৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শ্ৰীমোদীয়ে পঞ্চদশ বাৰ্ষিক সন্মিলনত উভয় দেশৰ প্ৰগতিৰ বাবে ভাৰতৰ বিভিন্ন ৰাজ্য আৰু জাপানৰ প্ৰদেশসমূহৰ মাজত সহযোগিতাৰ বাবে আৰম্ভ কৰা উদ্যমৰ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে গৱৰ্নৰ আৰু ভাৰতৰ ৰাজ্য চৰকাৰসমূহক এই নতুন উদ্যমৰ সুযোগ গ্ৰহণ কৰি নিৰ্মাণ, প্ৰযুক্তি, উদ্ভাৱন, আহযাহ, পৰৱৰ্তী প্ৰজন্মৰ আন্তঃগাঠনি, ষ্টাৰ্টআপ প্ৰতিষ্ঠান আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰিবলৈ আহ্বান জনায়। গৱৰ্নৰসকলক ভাৰতৰ বিকাশ যাত্ৰাৰ সহযোগী হ'বলৈও তেওঁ আমন্তন জনায়। আলোচনাৰ অন্তত প্ৰধানমন্ত্ৰী মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইশ্বিবাই শ্বিংকান শ্বেন বুলেট ৰে'লগাড়ীৰে নিয়াগী প্ৰদেশৰ ছেণ্ডাইট উপস্থিত হয় আৰু অৰ্ধ পৰিবাহী উৎপাদনৰ কামত ব্যৱহৃত আহিলাপাতিৰ অগ্ৰণী নিৰ্মাতা টকিঅ' ইলেকট্ৰন কাৰখানা পৰিদৰ্শন কৰে। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী মোদী ছাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষসন্মিলনৰ অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে চীনলৈ বুলি ৰাওনা হয়।

ooooo

চীনৰ তিয়ানজিনত কাইলৈৰ পৰা ছাংহাই সহযোগিতা সংস্থাৰ ২৫ সংখ্যক শীৰ্ষ সন্মিলন অনুষ্ঠিত হ' ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব নেতাকলৰ সৈতে এই দুদিনীয়া সন্মিলনত অংশগ্ৰহণ কৰিব। এই সন্মিলনত বিগত ২৫ বছৰত সংস্থাৰ সাফল্যৰ পৰ্যালোচনা কৰা হ'ব আৰু এটা ১০ বছৰীয়া উন্নয়ন আঁচনি যৌৰ কৰা হ'ব। চীনে পঞ্চমবাৰৰ বাবে এই শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। চীনৰ ৰাষ্ট্ৰপতি চি জিন পিঙে অধ্যক্ষতা কৰিবলগীয়া এই সন্মিলনত ২০ গৰাকীৰো অধিক ৰাষ্ট্ৰ নেতা আৰু আন্তৰ্জাতিক সংস্থাসমূহৰ ১০ গৰাকী নেতাই অংশগ্ৰহণ কৰাৰ আশা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন সন্মিলনত উপস্থিত থাকিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি ছাংহাই সহযোগিতা সংস্থাৰ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে টিয়েনজিনত উপস্থিত হ'ব। কাইলৈৰ পৰা হ'বলগীয়া দুদিনীয়া সন্মিলনখনত সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহৰ মুৰব্বীসকলৰ উপৰি পৰ্যবেক্ষক ৰাষ্ট্ৰৰ প্ৰতিনিধি আৰু অংশীদাৰ সংস্থাসমূহৰ প্ৰতিনিধি উপস্থিত থাকিব। আন নেতাসকলৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আঞ্চলিক সুৰক্ষা যোগাযোগ, বহনক্ষম বিকাশ আৰু গোলকীয় সহযোগিতাৰ দৰে বিষয়ত মতামত প্ৰকাশ কৰিব।

০০০০০

ব্ৰিটিছ সংগ্ৰহালয়ত থকা বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ বিষয়ে আলোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা অক্টোবৰ-নৱেম্বৰত লণ্ডনলৈ যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰি কয় যে ২০২৭ চনত বৃন্দাবনী বস্ত্ৰখন ১৮ মাহৰ বাবে অসমলৈ অনা হ'ব। ব্ৰিটিছ সংগ্ৰহালয়ে কেতবোৰ চৰ্ত সাপেক্ষে এই ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। ড০ শৰ্মাই কয় যে ব্ৰিটিছ সংগ্ৰহালয়ে চৰ্ত অনুসৰি বিশ্বমানৰ সংগ্ৰহালয় নিৰ্মাণ কৰাৰ বাবে খানাপাৰাৰ ৰেচম বিভাগৰ ভূমিত এবিঘা মাটি আৱন্তন দিয়া হৈছে আৰু জে এছ ডব্লিউ কোম্পানীটোৱে সামাজিক দায়াবদ্ধতা আঁচনিৰ অধীনত সংগ্ৰহালয় নিৰ্মাণৰ বাবে আগবাঢ়ি আহিছে।

০০০০০

মেঘালয়ৰ সোণাপুৰত হোৱা ভূমিস্খলনৰ বাবে শিলচৰ-শ্বিলং-গুৱাহাটী সংযোগী ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথেৰে যাতায়ত বন্ধ হৈ পৰিছে। পথটোত শ শ যানবাহন আৱদ্ধ হৈ আছে। পূব জয়ন্তীয়া পাৰ্বত্য প্ৰশাসনে পথটো যাতায়তৰ বাবে মুকলি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। জিলা প্ৰশাসনে পথ মুকলি নোহোৱালৈকে চালকসকলক বিকল্প পথ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

০০০০০

বাংলাদেশৰ ঢাকাৰ কাকৰেইল অঞ্চলত কালি সন্ধিয়া জাতীয় পাৰ্টী আৰু গণ অধিকাৰ পৰিষদ নামৰ ৰাজনৈতিক দল দুটাৰ কৰ্মীৰ মাজত প্ৰচণ্ড সংঘৰ্ষ হয়। এই ঘটনাত কেইবাজনো লোক আহত হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সেনা বাহিনী আৰু আৰক্ষীক নিয়োগ কৰা হৈছে। দুয়োটা পক্ষই ইটোৱে সিটোক সংঘৰ্ষ সৃষ্টিৰ বাবে জগৰীয়া কৰিছে।

০০০০০

কেন্দ্ৰীয় ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি উত্তৰ প্ৰদেশৰ নয়দাত দেশৰ প্ৰথমটো টেম্পাৰড গ্লাছ নিৰ্মাণ প্ৰকল্প উদ্বোধন কৰে। দেশত বৈদ্যুতিক আহিলাৰ নিৰ্মাণ আৰু মেক ইন ইণ্ডিয়া উদ্যমৰ প্ৰসাৰৰ দিশৰ পৰা এই প্ৰকল্প গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে।

এই উপলক্ষে শ্ৰী বৈষ্ণৱে কয় যে দেশে বিগত কেইটামান বছৰত বৈদ্যুতিক আহিলাপাতিৰ নিৰ্মাণৰ ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে। দেশত বৈদ্যুতিক আহিলাপাতিৰ নিৰ্মাণৰ বাবে অনুকূল পৰিবেশ গঢ়ি উঠিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰীবৈষ্ণৱে কয় যে দেশত বৈদ্যুতিক আহিলাপাতিৰ নিৰ্মাণ ছয়গুণে বৃদ্ধি পাইছে আৰু সম্প্ৰতি মোবাইল, লেপটপ আৰু অন্য আহিলাপাতিৰ যন্ত্ৰাংশৰ দেশতেই নিৰ্মাণ হ'বলৈ লৈছে।

০০০০০

জম্মু-কাশ্মীৰৰ ৰামবান জিলাৰ ৰাজগড় তেহচিলৰ দ্ৰুপদা গাঁৱত হোৱা ডাৱৰ বিস্ফোৰণৰ ঘটনাত মৃত্যুৰ সংখ্যা চাৰিজনলৈ বৃদ্ধি হৈছে আৰু এজন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী বাহিনীয়ে চাৰিটা মৃতদেহ উদ্ধাৰ কৰিছে। ডাৱৰ বিস্ফোৰণে অঞ্চলটোত ভয়াৱহ বানৰ সৃষ্টি কৰাৰ লগতে বহু সা-সম্পত্তিৰ বিস্তৰ ক্ষতি কৰি সাধাৰণ জনজীৱন

বিপৰ্যস্ত কৰি তোলে। কেনন্দৰীয় ড০ জিতেন্দ্ৰ সিঙে কয় যে তেওঁ ৰামবানৰ উপায়ুক্তৰ সৈতে ঘটনা সন্দৰ্ভত আলোচনা কৰিছে। মুখ্যমন্ত্ৰী ওমৰ আব্দুলায়ো ঘটনাটোত শোক প্ৰকাশ কৰিছে।

০০০০০০

মহাৰাষ্ট্ৰৰ বীড তালুকৰ ধুলে-চোলাপুৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা এখন তীব্ৰবেগী মালবাহী গাড়ীয়ে মহতিয়াই নিয়াৰ ফলত ছগৰাকী পদচাৰীৰ মৃত্যু হয়। বীড আৰু চিদোড়ৰ বাসিন্দা লোককেইজন পেগু গাঁৱত থকা হনুমান মন্দিৰলৈ আহি আছিল। স্থানীয় লোকে দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখনৰ চালকজনক আটক কৰে।

০০০০০০

কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে খনিজ মন্ত্ৰ্যালয় আৰু জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰ্যালয়ৰ মাজত খনিজ সম্পদক লৈ স্বাক্ষৰিত সহযোগিতাৰ চুক্তিৰ প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰেড্ডীয়ে কয়, যে এই চুক্তিখন গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ যোগান শৃংখলাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰচেষ্টাৰ সৈতে সামঞ্জস্য ৰাখি স্বাক্ষৰ কৰা হৈছে। শক্তি সুৰক্ষা, ৰাষ্ট্ৰীয় সুৰক্ষা আৰু ২০৭০ চনৰ ভিতৰত শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰ এয়া অতি গুৰুত্বপূৰ্ণ বুলি শ্ৰীৰেড্ডীয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই চুক্তিৰ অংশ হিচাপে দুয়োখন দেশে খনিজ সম্পদ আৰু নীতিৰ বিভিন্ন তথ্যৰ আদান-প্ৰদান কৰিব। ইয়াৰ জৰিয়তে ভাৰত আৰু সম্পদত চহকী দেশসমূহত খনিজ সম্পদৰ অন্বেষণ, খনন আৰু গুৰুত্বপূৰ্ণ খনিজাত পদাৰ্থৰ সংসাধনৰ ক্ষেত্ৰত যুটীয়া বিনিয়োগৰ প্ৰসাৰ হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে।

০০০০০০০০

ভাৰতৰ পুৰুষৰ ডাবলছ যুটী অনিৰুদ্ধ চন্দ্ৰশেখৰ আৰু বিজয় প্ৰশান্তে ইউ এছ অপেন টেনিছ প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰবেশ কৰিছে। ভাৰতৰ যুটীটোৱে প্ৰতিযোগিতাৰ অষ্টম বাছনিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ খ্ৰীষ্টিয়ান হেৰিছন আৰু ইভান কিঙক এক ঘণ্টা ৪২ মিনিটত ৩-৬, ৬-৩, ৬-৪ ছেটত পৰাজিত কৰে। তেওঁলোকে দ্বিতীয় ৰাউণ্ডত অষ্ট্ৰেলিয়াৰ জন পেট্ৰিক স্মিথ আৰু ব্ৰাজিলৰ ফাৰ্নাণ্ড ৰম্বলীৰ বিৰুদ্ধে খেলিব।

০০০০০

এছিয়া কাপ মহিলা হকী প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে ভাৰতৰ মহিলা দলটো আজি চীনৰ হাংঝৌলৈ ৰাওনা হৈছে। প্ৰতিযোগিতাখন শুকুৰবাৰে আৰম্ভ হ'ব। ভাৰতৰ ২০ সদস্য বিশিষ্ট দলটোত ছেলিমা টেটেয়ে নেতৃত্ব দিছে। ভাৰতে এই প্ৰতিযোগিতাত জয়ী হৈ অহা বছৰত হ'বলগীয়া এফ আই এইছ মহিলা হকী ৱৰ্লডকাপ প্ৰতিযোগিতাত অংশগ্ৰহণ নিশ্চিত কৰাৰ চেষ্টা কৰিব। ভাৰতীয় দলৰ অধিনায়ক ছেলিমাই কয় যে অহা বছৰত হ'বলগীয়া বিশ্বকাপত অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে এইখন প্ৰতিযোগিতাই ভাৰতলৈ সুন্দৰ সুযোগ আনি দিছে। দলে এই ক্ষেত্ৰত সম্পূৰ্ণ মনোনিবেশ কৰিব বুলি অধিনায়কগৰাকীয়ে উল্লেখ কৰে। ভাৰতে মহিলাৰ এছিয়া কাপ ২০০৪ আৰু ২০১৭ চনত হস্তগত কৰিছিল।০০০

০০০০০০

বিহাৰৰ ৰাজগিৰত চলি থকা এছিয়াকাপ হকী প্ৰতিযোগিতাৰ আজি দ্বিতীয়টো দিনত দুখন খেল অনুষ্ঠিত হ'ব। প্ৰথম খেলখনত বাংলাদেশে চীনা টাইপেইৰ বিৰুদ্ধে খেলিব। দ্বিতীয়খন খেলত এছিয়াৰ দুটা শক্তিশালী দল কোৰিয়া আৰু মালয়েছিয়া পৰস্পৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ০০০০০